Total No. of Printed Pages—3

## 3 SEM TDC ASMH (CBCS) C 5

**2024**

( Nov/Dec )

# ASSAMESE

( Core )

Paper : C–5

( সাহিত্য সমালোচনা )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) সাহিত্যক কিদৰে শ্ৰেণীবিভাজন কৰিব পাৰি? যি কোনো এটা শ্ৰেণীৰ বিষয়ে বিৰৰি লিখাঁ। ১৫

*অথবা*

(খ) সাহিত্যৰ উপাদানসমূহ কি কি, আলোচনা কৰাঁ।

২। (ক) সমালোচনাৰ কাৰণে সমালোচকৰ দায়িত্ব আৰু কৰ্তব্য কেনে হোৱা উচিত, বুজাই লিখাঁ। ১৪

*অথবা*

(খ) সাহিত্য সমালোচনাৰ পদ্ধতিসমূহ উল্লেখ কৰি যি কোনো এটা পদ্ধতিৰ বিষয়ে আলোচনা কৰাঁ।

৩। (ক) কবিতা সম্পৰ্কে প্ৰাচ্য আৰু পাশ্চাত্যৰ আলোচকে আগবঢ়োৱা যি কোনো চাৰিটা সংজ্ঞা উল্লেখ কৰি কবিতাৰ সৃষ্টিত কল্পনাৰ গুৰুত্ব সম্পৰ্কে চমুকৈ লিখাঁ। ৮+৭=১৫

*অথবা*

(খ) নাটকৰ উপাদানসমূহৰ বিষয়ে এটা প্ৰবন্ধ যুগুত কৰাঁ। ১৫

৪। (ক) চুটিগল্পৰ ৰচনাৰীতি সম্পৰ্কে লিখি চুটিগল্প আৰু উপন্যাসৰ পাৰ্থক্য দাঙি ধৰাঁ। ৭+৭=১৪

*অথবা*

(খ) উপন্যাসৰ উপাদান সম্পৰ্কে আলোচনা কৰাঁ। ১৪

৫। যি কোনো দুটাৰ চমু টোকা লিখাঁ : ৭×২=১৪

(ক) উপন্যাসৰ চৰিত্ৰ

(খ) একাংকিকা

(গ) লঘুৰচনা

(ঘ) চনেট

৬। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) "সৃজনশীল কল্পনাৰ মাধ্যমত প্ৰকাশ পোৱা ভাৱাৱেগেই কবিতা"—বুলি কোনে কৈছিল?

(খ) এবিধ 'জ্ঞানৰ সাহিত্য'ৰ উদাহৰণ দিয়াঁ।

(গ) 'কবিতাৰ সবিশেষ' গ্ৰন্থৰ ৰচক কোন?





(ঘ) ভৰত মুনিয়ে ৰচনা কৰা নাট্য-সম্পৰ্কীয় গ্ৰন্থখনৰ নাম কি?

(ঙ) কোনজন সমালোচকে উপন্যাসক 'পকেট থিয়েটাৰ' বুলি কৈছিল?

(চ) "শব্দাৰ্থৌ সহিতৌ কাব্যম্" উক্তিটো কাৰ?

(ছ) সমালোচনাক সৃষ্টিশীল কলা বুলি কোনে কৈছিল?

(জ) পাশ্চাত্যৰ প্ৰথম উপন্যাস বুলি কোনখন উপন্যাসক ধৰা হয়?

★★★

Total No. of Printed Pages—3

## 3 SEM TDC ASMH (CBCS) C 6

**2024**

( Nov/Dec )

ASSAMESE

( Core )

Paper : C–6

**( অসমীয়া কবিতাৰ চানেকি )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখাঁ : ১×৮=৮

(ক) 'বিহুগীত আৰু বনঘোষা' গ্ৰন্থখন কাৰ ৰচনা ?

(খ) 'মনসা পুৰাণ'ৰ ৰচক কোন ?

(গ) 'নতুন কবিতা'ৰ সম্পাদক কোন আছিল ?

(ঘ) 'ধনবৰ আৰু ৰতনী' কবিতাটো কাৰ ৰচনা ?

(ঙ) 'কুৰি শতিকাৰ অসমীয়া কবিতা' শীৰ্ষক গ্ৰন্থখনৰ সম্পাদক কোন ?

(চ) 'জিকিৰ আৰু জাৰি' গীতসমূহ কোনে ৰচনা কৰিছিল ?

(ছ) 'ৰাজসূয় কাব্য' কোনে ৰচনা কৰিছিল ?

(জ) 'বাৰ মাহৰ তেৰ গীত' গ্ৰন্থখনৰ সম্পাদক কোন ?

২। (ক) সাম্প্ৰতিক অসমীয়া কবিতা—এই সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১৫

অথবা

(খ) অসমীয়া কবিতাৰ সমৃদ্ধিত 'জোনাকী' কাকতৰ ভূমিকা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ।

৩। (ক) 'জিকিৰ আৰু জাৰি' গীতসমূহৰ কাব্যিক সৌন্দৰ্য ব্যাখ্যা কৰি এটি আলোচনা প্ৰস্তুত কৰাঁ। ১৪

অথবা

(খ) 'নাহৰৰ গীত' মালিতাটোৰ লগত জড়িত ঐতিহাসিক প্ৰসঙ্গ বিচাৰ কৰি এটি আলোচনা যুগুত কৰাঁ।

৪। (ক) চৰ্যাপদত প্ৰতিফলিত সমকালীন সমাজৰ চিত্ৰ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱাঁ। ১০

অথবা

(খ) মাধৱ কন্দলিৰ 'সুন্দৰাকাণ্ড'ত প্ৰকৃতিৰ চিত্ৰ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰাঁ।





৫। (ক) 'সুন সুন ৰে সুৰ' বৰগীতটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰি এটি আলোচনা আগবঢ়োৱাঁ। ১৪

অথবা

(খ) মাধৱদেৱৰ 'খেদ' কবিতাৰ বিশ্লেষণ আগবঢ়োৱাঁ।

৬। (ক) নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাটিৰ ভাৱাৰ্থ তোমাৰ ভাষাৰে বিশ্লেষণ কৰাঁ। ১৫

অথবা

(খ) 'চুলি নাবান্ধিবা যাজ্ঞসেনী' কবিতাত নাৰীৰ প্ৰতিবাদী সত্তা কিদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰাঁ।

৭। চমু টোকা লিখাঁ (যি কোনো এটা) : ৪

(ক) পীতাম্বৰ কবি

(খ) চন্দ্ৰকুমাৰ আগৰৱালা

(গ) নীলমণি ফুকন

★★★

Total No. of Printed Pages—3

**3 SEM TDC ASMH (CBCS) C 7**

**2024**

( Nov/Dec )

ASSAMESE

( Core )

Paper : C–7

**( অসমৰ সংস্কৃতি অধ্যয়ন )**

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। (ক) সংস্কৃতিৰ যি কোনো এটি সংজ্ঞা দি তাৰ আধাৰত সংস্কৃতিৰ স্বৰূপ ব্যাখ্যা কৰাঁ। ৪+১০=১৪

অথবা

(খ) সংস্কৃতিৰ উপাদানসমূহ কি কি? সংস্কৃতিৰ যি কোনো দুটা উপাদানৰ বিষয়ে এটি আলোচনা আগবঢ়োৱাঁ। ৪+৫+৫=১৪

২। (ক) অসমৰ নৃ-গোষ্ঠীসমূহৰ এটি পৰিচয় দাঙি ধৰাঁ। ১৫

অথবা

(খ) অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত মংগোলীয় গোষ্ঠীৰ অৱদানৰ বিষয়ে লিখাঁ।

৩। (ক) সোণোৱাল কছাৰী সমাজত প্ৰচলিত জন্ম-মৃত্যু সম্পৰ্কীয় লোকবিশ্বাসসমূহৰ বিষয়ে আলোচনা কৰাঁ। ১৫

অথবা

(খ) মিচিংসকলৰ মাজত প্ৰচলিত ভূত-প্ৰেত সম্পৰ্কীয় লোকবিশ্বাসসমূহৰ বিষয়ে আলোচনা কৰাঁ।

৪। (ক) বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত সাজপাৰৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰাঁ। ১৬

অথবা

(খ) চমু টোকা লিখাঁ : ৪×৪=১৬

(১) কাৰ্বিসকলৰ পৰম্পৰাগত আ-অলংকাৰ

(২) মিচিংসকলৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ

(৩) বড়োসকলৰ খাদ্যাভ্যাস

(৪) সোণোৱাল কছাৰীসকলৰ মাজত প্ৰচলিত জীৱ-জন্তু সম্পৰ্কীয় লোকবিশ্বাস

৫। (ক) আহোম যুগৰ অসমৰ ভাস্কৰ্যৰ শৈলী সম্পৰ্কে এটি আলোচনা যুগুত কৰাঁ। ১২

অথবা

(খ) অসমৰ স্থাপত্য কলা সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ।

৬। চমু উত্তৰ দিয়াঁ (যি কোনো আঠটা) : ১×৮=৮

(ক) "সংস্কৃতি হৈছে সুন্দৰৰ পূজা"—কথাষাৰৰ বক্তা কোন?

(খ) 'অসমীয়া লোকসংস্কৃতি' গ্ৰন্থখনৰ লেখক কোন?





(গ) 'দখনা' কোন জনগোষ্ঠীৰ নাৰীয়ে পৰিধান কৰে?

(ঘ) 'ছাবিন আলুন' কি?

(ঙ) 'হাইদাং' কোন জনগোষ্ঠীৰ গীত?

(চ) কোন জনগোষ্ঠীয় সংস্কৃতিক 'বাঁহ সংস্কৃতি' বুলি কোৱা হয়?

(ছ) "পৰম্পৰাগত সংগীত, নৃত্য আৰু নাটকক লোক-পৰিৱেশ্য কলা বুলি কোৱা হয়।" হয় নে নহয়?

(জ) মঙ্গোলীয়সকল কোন ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(ঝ) 'মগৰদানা' কোন জনগোষ্ঠীয়ে পৰিধান কৰে?

★★★